স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

4 ☐ NO-236 ☐ SATERDAY 2 NOVEMBER 2024 (ডিব্ৰুগড় সংস্কৰণ/D

## কানৈ মহাবিদ্যালয়ত ছত্ৰপতি শিৱাজীৰ কৃতিকৰ্মৰ জিলিঙনি

**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ** ডিএইচএছ কানৈ মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগ, সংস্কৃত বিভাগৰ যুটীয়া উদ্যোগত আৰু ভাৰতীয় ইতিহাস সংকলন সমিতি, ডিব্ৰুগড় জিলাৰ সহযোগত ৪ নৱেম্বৰৰ পুৱা ১১ বজাত মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত 'ছত্ৰপতি শিৱাজীৰ কৃতিকৰ্মৰ জিলিঙনি' শীৰ্ষক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হৈছে। কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই উদ্বোধন কৰিবলগীয়া বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকিব ডিব্ৰু মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ সহযোগী অধ্যাপিকা ড° বন্তি ফুকন সোণোৱাল। বীৰ লাচিত বৰফুকনৰ কৰ্মৰাজি সমগ্ৰ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰচাৰ কৰাৰ সমান্তৰালভাৱে ছত্ৰপতি শিৱাজী মহাৰাজৰ লগতে ভাৰবৰ্ষৰ অন্যান্য বীৰ-বিৰাংগনাসকলৰ কৰ্মৰাজিক সকলোৰে মাজত পৰিচিত কৰাৰ প্ৰয়াসেৰে এই বক্তৃতানুষ্ঠান আয়োজন কৰিবলৈ লোৱা হৈছে। উদ্যোক্তা সমিতিয়ে অনুষ্ঠানত সকলোৰে দিহা-পৰামৰ্শ, উপস্থিতি কামনা কৰিছে।

অংশগ্ৰহণ

## যোৰহাটত

**নিয়মীয়া বাৰ্তা, যোৰহাট, ১ নৱেম্বৰ ঃ** সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সোণালী জয়ন্তী বৰ্ষৰ কাৰ্যসূচী ইতিমধ্যে অনুষ্ঠিত হৈছে ৰাজ্যৰ ভিন্ন প্ৰান্তত। সোণালী জয়ন্তীৰ অংশ হিচাপে যোৰহাট, মাজুলী, গোলাঘাট, চৰাইদেউ আৰু শিৱসাগৰ জিলাক সামৰি যোৰহাটত সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ গোলাঘাট, শিৱসাগৰ, যোৰহাট, চৰাইদেউ আৰু মাজুলী জিলাৰ আতিথ্যত ৩ নৱেম্বৰত অনুষ্ঠিত হ'ব বিশেষ কবি সমাৰোহ। কালি যোৰহাটৰ প্ৰীতম ভৱনত অনুষ্ঠিত এখন সংবাদ মেলত এই কথা উল্লেখ কৰে সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ প্ৰাক্তন সভানেত্ৰী, শিক্ষাবিদ

সমিতিৰ সোণালী
ৰাখি ৰাজ্যৰ বি
গ্ৰহণ কৰা হৈছে
জিলাতো বহু কা
সদৌ অসম লেখি

